**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। লোকসভাত কালি দীঘলীয়া বিতৰ্কৰ অন্তত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত।

২। ৰাজ্যত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ।

৩। ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ আজি অৱসৰপ্ৰাপ্ত লেফটেনেণ্টে জেনেৰেল ৰাণা প্ৰতাপ কলিতাক আনুষ্ঠানিকভাৱে প্ৰদান। কেইবাগৰাকীও কৃতি ব্যক্তিলৈ অন্যান্য অসামৰিক সন্মান।

৩। পৰম্পৰাগত অসমীয়া গহণাৰ ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি লাভ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছৰ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে ৮ উইকেটত জয়লাভ।

০০০০০০

লোকসভাত কালি ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়। ২৮৮ গৰাকী সাংসদে বিধেয়কখনৰ সপক্ষে আৰু ২৩২ গৰাকী সদস্যই বিপক্ষে ভোটদান কৰে। নিম্ন সদনত ১২ ঘণ্টাৰো অধিক সময় ধৰি চলা আলোচনাৰ অন্তত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিধেয়কখন সন্দৰ্ভত হোৱা ভোট বিভাজনৰ ফলাফল ঘোষণা কৰে।

**-বাইট-**

২০২৪ চনৰ ৮ আগষ্টত ৱক্‌ফ সংশোধনী বিধেয়ক আৰু মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰাৰ পাছত ইয়াক জগদম্বিকা পাল নেতৃত্বাধীন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। যুটীয়া সংসদীয় সমিতিৰ প্ৰতিবেদন যোৱা ১৩ ফেব্ৰুৱাৰীত লোকসভা আৰু ৰাজ্যসভাত দাখিল কৰা হৈছিল।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি এই বিধেয়কখন উত্থাপন কৰি কয়, যে মুছলমান সকলৰ ধৰ্মীয় বিশ্বাসৰ সৈতে বিধেয়কখনৰ কোনো সম্পৰ্ক নাই আৰু ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ সৈতেহে জড়িত। তেওঁ কয়, যে চৰকাৰে ৱক্‌ফ পৰিষদসমূহক সৰ্বাত্মক আৰু ধৰ্ম নিৰপেক্ষ কৰি তুলিব খুজিছে। বিধেয়কখনৰ জৰিয়তে মছজিদৰ পৰিচালনা কৰিব খোজা হোৱা নাই বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ বিধেয়ক অনুসৰি ৱক্‌ফ পৰিষদৰ বিভিন্ন মুছলিম পন্থা, মহিলা আৰু অনা মুছলিম সম্প্ৰদায়ৰ প্ৰতিনিধি থাকিব।

বিধেয়কখনক লৈ বিৰোধী পক্ষই জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি শ্ৰীৰিজিজুৱে অভিযোগ তোলে। তেওঁ কয় যে ২০১৩ চনত ইউ পি এৰ শাসনকালত ৱক্‌ফ আইনত সংশোধন কৰা হৈছিল আৰু এই

সংশোধনে অন্য আইনসমূহত ব্যাপক প্ৰভাৱ পেলাইছিল। কংগ্ৰেছ শাসনকালত দিল্লীৰ আগশাৰীৰ ঠাইৰ মুঠ ১২৩টা সম্পত্তি দিল্লী ৱক্‌ফ পৰিষদলৈ হস্তান্তৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে।

বিতৰ্কত ভাগ লৈ বিৰোধী পক্ষৰ সদস্যসকলে এই বিধেয়কখনে দেশৰ সংবিধানত উল্লেখ কৰা সকলো ধৰ্মৰ সম অধিকাৰৰ ধাৰণাত আঘাত হানিছে বুলি অভিযোগ কৰে আৰু বিধেয়কখনৰ বিৰোধিতা কৰে। লোকসভাত কংগ্ৰেছ উপ-দলপতি গৌৰৱ গগৈয়ে বিধেয়কখনৰ বিৰোধিতা কৰি কয়, যে বৰ্তমানৰ সংশোধনীয়ে সংবিধানক দুৰ্বল কৰিব আৰু সমাজক বিভাজিত কৰাৰ লগতে সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব।

০০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। কালি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব।

-বাইট-

ভোটগ্ৰহণৰ বাবে ২৫ হাজাৰ ৭ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটদাতাই এই নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিৰ্বাচনৰ বাবে ১ লাখ ২০ হাজাৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব। অৱশ্যে ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকাত এই নিৰ্বাচন অনুষ্ঠিত নহয়। আঞ্চলিক পঞ্চায়তৰ বাবে প্ৰাৰ্থীৰ সৰ্বাধিক নিৰ্বাচনী ব্যয় আঢ়ৈ লাখ টকা, জিলা পৰিষদত ১০ লাখ টকা আৰু গাঁও পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয় সৰ্বাধিক ব্যয় ২৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে বুলি নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এই নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজ ব্যৱহাৰ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলবৎ হৈছে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি বিয়লি ৩ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰিব। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ  অসম বৈভৱ সন্মান আগবঢ়োৱা হৈছে। সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনচালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ্ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বাপ্পি পাল, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পূৰৱী শইকীয়ালৈ  অসম সৌৰভ সন্মান প্ৰদান কৰা হ'ব। একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা

প্ৰতিষ্ঠানক অসম গৌৰৱ সন্মানৰ বাবে বাছনি কৰা হৈছে। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু।

০০০০০০

পৰম্পৰাগত অসমীয়া গহণাই ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ভৌগোলিক সূচক পঞ্জীয়কে কালি ৰত্ন আৰু গহণা উন্নয়ন পৰিষদ, অসমলৈ এই ভৌগোলিক সূচকৰ স্বত্ত্ব প্ৰদান কৰে। ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্বাৱধানত চলোৱা প্ৰচেষ্টাৰ ফলস্বৰূপে এই সূচক ৰাজ্যখনে লাভ কৰিছে। গহণা প্ৰস্তুতিৰ পদ্ধতিৰ ভিত্তিত পৰম্পৰাগত অসমীয়া গহণাৰ তিনিটা প্ৰকাৰক টাইপ-এ, টাইপ-বি আৰু টাইপ-চিৰ স্বীকৃতি দিয়া হৈছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অসমীয়া গহণাই এই স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰে। এটা বাৰ্তাত তেওঁ অসমৰ ঐতিহ্য সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত অসমীয়া গহণালৈ এই স্বীকৃতিৰ বাবে এই উদ্যোগৰ সৈতে জড়িতসকলৰ লগতে সমূহ অসমবাসীলৈ অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৮-১৯ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে শিল্পীসকলৰ সুৰক্ষা আৰু স্বীকৃতিৰ প্ৰতি লক্ষ্য ৰাখি জি আই টেগৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱে ন্যায্যতা লাভ কৰাত তেওঁ সুখী বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়া গহণাই জি আই টেগ লাভ কৰাৰ বাবে সন্তোষ প্ৰকাশ কৰিছে। এই অভিনৱ স্বীকৃতিয়ে ৰাজ্যখনৰ পৰম্পৰাগত শিল্পকলাক অধিক প্ৰসাৰিত কৰি ইয়াৰ বিশেষত্বক সুৰক্ষিত কৰাৰ লগতে গহণাৰ সৈতে জড়িত কাৰুশিল্পীসকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ইপিনে, পৰম্পৰাগত অসমীয়া গহণাই স্বীকৃতি লাভ কৰাৰ ফলত এই উদ্যোগৰ সৈতে জড়িত কাৰুশিল্পীসকলৰ মাজত আশাৰ সঞ্চাৰ হৈছে। বিষয়টো সন্দৰ্ভত অসমীয়া গহণাৰ বিশিষ্ট ব্যৱসায়ী সুলক্ষণা বি ভূঞাই এইদৰে অনুভৱ ব্যক্ত কৰে -

**- ৰাইট -**

০০০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে কালি অনুষ্ঠিত ভোটগ্ৰহণৰ কাইলৈ ফলাফল ঘোষণা কৰা হ'ব। গোৱালপাৰা আৰু আমিনগাঁৱত কাইলৈ ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব। ভোটগ্ৰহণ হোৱা বেলট বাকচসমূহ বৰ্তমান জিলা আয়ুক্ত কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি কালি পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাত ৬৭ দশমিক ৫-৫ শতাংশ আৰু গোৱালপাৰা জিলাত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হয়।

পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ দৰিদুৰি সমষ্টিত সৰ্বাধিক ৮০ দশমিক ৩-৫ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। কামৰূপ জিলাৰ জৰিহাট সমষ্টিত সৰ্বনিম্ন ৫৭ দশমিক ৬-২ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০

লোকসভাত ৱক্‌ফ সংশোধনী বিধেয়ক গৃহীত হোৱা, ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা, ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। **দৈনিক অসম** কাকতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটত দ্বিতীয়খন ৰে'ল উৰণ সেতু মুকলি কৰাৰ বাতৰি 'আজিৰ অসমৰ যাত্ৰা অৰুণোদয়ৰ যাত্ৰা' শিৰোনামেৰে ফটো সহকাৰে প্ৰকাশ কৰিছে। অসমীয়া গহণাই জি আই টেগ লাভ কৰাৰ বাতৰিক 'অসমীয়া গহণালৈ জি আই টেগৰ স্বীকৃতি' শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **আমাৰ অসম** কাকতে ৰাজ্যৰ বিদ্যালয়ত মিচিং ভাষাৰ পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এটা ইতিবাচক বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱাৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে 'চন্দ্ৰপুৰৰ নেত্ৰা প্ৰকল্পস্থলীত স্থাপন হ'ব অতি শক্তিশালী ৰাডাৰ প্ৰণালী' শিৰোনামেৰে ইছৰ'ৰ মুৰববীয়ে প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া খবৰ** কাকতে মন্ত্ৰী পীযুষ হাজৰিকাই কমলপুৰত হালধাৰ পৰা বাণিয়াচুপালৈ নতুন বান্ধ নিৰ্মাণৰ শুভাৰম্ভ কৰাৰ বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। 'চলিত বৰ্ষত ১৫ লক্ষ্য কোটিৰ ঋণ ল'ব কেন্দ্ৰই' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত প্ৰায় ১৫ লাখ কোটি টকাৰ ঋণ লোৱাৰ প্ৰস্তুতি চলাইছে বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ম্যানমাৰৰ সামৰিক প্ৰশাসনে ভূমিকম্পৰ উদ্ধাৰ অভিযান সুচল কৰি তোলাৰ উদ্দেশ্যে ২২ এপ্ৰিল পৰ্যন্ত গৃহযুদ্ধ সাময়িকভাৱে স্থগিত ৰখাৰ কথা ঘোষণা কৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে সমগ্ৰ দেশৰ ঘাইপথ আৰু এক্সপ্ৰেছ পথসমূহত শুল্ক বৃদ্ধি কৰাৰ বাতৰিটো বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দা টাইম্‌ছ অব্ ইণ্ডিয়া** কাকতে মিজোৰাম চৰকাৰে ম্যানমাৰৰ শৰণাৰ্থীৰ বাবে নীতি-নিয়ম কঠোৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বিগত ছমাহত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৪ লাখৰো অধিক পৰ্যটকৰ আগমন হয়। ইয়াৰ ফলত উদ্যানখনত ১০ কোটি টকাতকৈ অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যান কৰ্তৃপক্ষই কালি এটা প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰে। বিবৃতিটোত উল্লেখ কৰা মতে যোৱা ছমাহত ১৭ হাজাৰ ৬৯৩ গৰাকী বিদেশী পৰ্যটকসহ মুঠ ৪ লাখ ছহেজাৰ ৫৬৪ গৰাকী পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰ জৰিয়তে ১০ কোটি ৯০ লাখ ৮৯ হাজাৰ ৩৮৯ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছে। এই সময়ছোৱাত ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুকৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিছিল। তদুপৰি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ সহ বিভিন্ন দেশৰ ৬০ গৰাকী ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰিছিল। উল্লেখযোগ্য যে নিউয়ৰ্ক টাইম্‌ছৰ সমীক্ষাতো কাজিৰঙাই বিশ্বৰ অন্যতম দৰ্শনীয় পৰ্যটন স্থানৰ তালিকাত শীৰ্ষ স্থান দখল কৰিছিল। এনেবোৰ কাৰণতে উদ্যানখনলৈ বিগত ১০ বছৰত পৰ্যটকৰ সংখ্যা সামগ্ৰিকভাৱে ৪ গুণ বৃদ্ধি হোৱাৰ উপৰি বিদেশী পৰ্যটক ৪ দশমিক ৫ শতাংশলৈ বৃদ্ধি হৈছে বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০

বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৮ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে  ১৭০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৬৯ ৰান কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা কালি আৰম্ভ হৈছে। কালি খেলৰ প্ৰথম দিনা সাঁতোৰত যোৰহাট জিলাৰ খেলুৱৈয়ে ১৫টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত ১৪ আৰু ১৭ বছৰ অনূৰ্ধৰ ৮টা শাখাৰ ভিতৰত ৫টাতে যোৰহাটৰ খেলুৱৈয়ে স্বৰ্ণ পদক জয় কৰাৰ লগতে ৮টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে শিৱসাগৰ জিলাই ২টা সোণ আৰু ৩টা ব্ৰঞ্জ, কামৰূপ মহানগৰ জিলাই এটা সোণ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। সাঁতোৰৰ উপৰি কালি এথলেটিকছ, ফুটবল, কাবাডী আৰু দবাৰ প্ৰাথমিক পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হয়।

মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক স্তৰৰ এই প্ৰতিযোগিতা অহা ৬ এপ্ৰিলত সামৰণি পৰিব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰত বতৰ ফৰকাল হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত